# দৈনিক জনমভূমি

গুৱাহাটী বুধবাৰ ৭ নৱেম্বৰ, ২০০৭


## গাড়ী-মটৰ

লিখা-পঢ়া কৰে যি গাড়ী-ঘোঁৰাত উঠে সি— বুলি কথা এষাৰ আছিল। কিন্তু গাড়ী-মটৰৰ সংখ্যা এতিয়া ৰাজ্যখনত ইমানে বাঢ়িছে যে ই অস্বস্তি আৰু উদ্বিগ্নতাৰো কাৰণ হৈছে। যান-জঁটত ঘণ্টাৰ পিছত ঘণ্টা ৰৈ থকাৰ অভিজ্ঞতা পোৱাসকলে জানে যে এয়া কিমান বিৰক্তিকৰ আৰু সময়ৰ অপচয়। চহৰ-নগৰত এয়া স্বাভাৱিক ঘটনা। আনকি ৰাষ্ট্ৰীয় ঘাইপথো সঘনে যান-বাহনেৰে ভৰি পৰি যান-জঁটৰ সৃষ্টি কৰে। ৰাজ্যত গাড়ী-মটৰৰ সংখ্যা ১১ লাখ। ইয়াৰে দহ লাখমান যান-বাহন ৰাস্তাত আহ-যাহ কৰে। এই যান-বাহন ব্যক্তিগত, চৰকাৰী, বেচৰকাৰী আৰু মাল ইত্যাদি কঢ়িওৱাবিধৰ। প্ৰতিটো দিশতে শৃংখলা সম্ভৱ হ'ব পাৰে আগতীয়া পৰিকল্পনাৰ ফলত। কোনখন ঠাইত কেনে পৰিবহন ব্যৱস্থাৰ প্ৰয়োজন তাৰ ৰূপৰেখাও আগতেই নিৰ্ণীত হোৱাতো প্ৰয়োজনীয়।

ৰাজ্যত যান-জঁট আৰু দুৰ্ঘটনা ঘটাৰ কাৰণসমূহৰ ভিতৰত অত্যধিক গাড়ী-মটৰৰ চলাচলো এটা কাৰণ। তদুপৰি ৰাজ্যত পথৰ দৈৰ্ঘ্য আৰু গাড়ী-মটৰৰ অনুপাতৰ বিসংগতি মন কৰিবলগীয়া। তদুপৰি নানা কাৰণত গাড়ী-মটৰৰ সংখ্যা বাঢ়িছে। সহজ ঋণ ইত্যাদিৰ ফলতো গাড়ী-মটৰৰ সংখ্যা বাঢ়িছে। বাণিজ্যিক ক্ষেত্ৰতো ইয়াত গাড়ী-মটৰৰ সংখ্যা বাঢ়িছে। কাৰণ ৰে'ল সেৱা সীমিত আৰু জলপথৰ ব্যৱহাৰ হোৱা নাই। ঘাই কথা হ'ল ৰাজহুৱা পৰিবহন ব্যৱস্থা উপযুক্ত হ'লে ব্যক্তিগত গাড়ীৰ সংখ্যা কমিলহেঁতেন। ৰাজহুৱা ব্যৱস্থাৰ দুৰ্বলতাৰ বাবে গাড়ী-মটৰৰ সংখ্যা সকলো দিশতে বাঢ়িছে। ৰাজ্যখনলৈ বাহিৰৰ পৰা অহা ট্ৰাকৰ সংখ্যাও কম নহয়। ৰাজ্যৰ যান-বাহনৰ লগতে ইবোৰেও ৰাজ্যৰ পথত চলাচল কৰে। ৰে'ল পৰিবহন, জল পৰিবহন সেৱা উপযুক্ত হ'লে বাহিৰৰ ট্ৰাকসমূহৰ উপস্থিতি কমিলহেঁতেন।

চৰকাৰে যদি ৰাজ্যত গাড়ী-মটৰৰ সংখ্যা নিয়ন্ত্ৰণ কৰিব বিচাৰে তেতিয়াহ'লে ৰে'ল সেৱাক আৰু উন্নত আৰু বয়বস্তু কঢ়িওৱাৰ বেলিকা সস্তীয়া কৰাত গুৰুত্ব দিব লাগিব। ৰাষ্ট্ৰীয় জলপথ হিচাপে কেন্দ্ৰই নীতিগতভাৱে স্বীকাৰ কৰিছে যদিও তাক কাৰ্যকৰী কৰা নাই। ৰাজ্য চৰকাৰে কেন্দ্ৰক এই জলপথ সুচল কৰাৰ বাবে সৈমান কৰাব লাগিব। সমান্তৰালভাৱে পৰিবহন ব্যৱস্থাৰ ভিন ভিন সেৱাক উপযুক্ত কৰি তোলাৰ লগতে যাতে সেই ব্যৱস্থা সস্তা হয় তাৰো দিহা চৰকাৰে কৰিবলৈ আগবাঢ়িব লাগিব।

# পাৰমাণৱিক শক্তিৰ মূল্য



## এম ভি ৰামানা

ভাৰত-মাৰ্কিন যুক্তৰাষ্ট্ৰৰ পাৰমাণৱিক চুক্তি সম্পৰ্কে বৰ্তমান বহলুৱাকৈ বিতৰ্ক হৈছে। এই বিতৰ্কৰ অন্তৰ্নিহিত কথাটো হৈছে যে ভাৰতে পাৰমাণৱিক শক্তিৰ উৎপাদন বৃদ্ধি কৰিব লাগে। এইটো এটা অতিকৈ বিতৰ্কিত ধাৰণা। এই কথাটো বাদ দি চালে পাৰমাণৱিক চুক্তিৰ আধাৰটোৰেই তাচপাতৰ কাৰেঙৰ দৰে খহি পৰে।

পাৰমাণৱিক শক্তি বিদ্যুৎ শক্তিৰ এটা গুৰুত্বপূৰ্ণ উৎস হ'ব পাৰেনে, সেই বিষয়ে পোনতে প্ৰশ্ন কৰা দৰকাৰ। প্ৰতিষ্ঠাৰ সময়ৰে পৰা আণৱিক শক্তি আয়োগে ভাৰতৰ পাৰমাণৱিক শক্তিৰ বিষয়ে বহুবাৰ আত্মবিশ্বাসেৰে ভৱিষ্যদ্বাণী কৰিছে। ১৯৬২ চনত আয়োগে ভৱিষ্যদ্বাণী কৰিছিল যে ১৯৮৭ চনত দেশখনত ২০-২৫ হেজাৰ মেগাৱাট পাৰমাণৱিক শক্তি উৎপন্ন কৰা হ'ব। ২০০০ চনত ইয়াৰ পৰিমাণ ৪৩,৫০০ মেগাৱাট হ'ব বুলি ১৯৬৯ চনত ভৱিষ্যদ্বাণী কৰিছিল আয়োগে। কিন্তু বাস্তৱতে ২০০০ চনলৈকে ২৭২০ মেগাৱাট বিদ্যুতহে উৎপন্ন কৰিব পৰা গ'ল। বৰ্তমান পাৰমাণৱিক শক্তিৰ সহায়ত মাত্ৰ ৪১০০ মেগাৱাট বিদ্যুতহে উৎপন্ন কৰা হয়। এয়া হৈছে সমুদায় উৎপাদন ক্ষমতাৰ প্ৰায় ৩%। বৰ্তমানে নিৰ্ধাৰণ কৰা লক্ষ্য অনুযায়ী ২০২০ চনত উৎপাদন ক্ষমতা ২০,০০০ মেগাৱাটলৈ বৃদ্ধি কৰিলেও সমুদায় বিদ্যুৎ উৎপাদনৰ ৮-১০%হে পাৰমাণৱিক শক্তিৰ সহায়ত উৎপাদন কৰিব পৰা যাব। সেয়ে পাৰমাণৱিক শক্তিৰ গুৰুত্বৰ বিষয়ে ৰাজহুৱাকৈ কৰা ঘোষণাৰ তুলনাত শক্তি উৎপাদনৰ ক্ষেত্ৰত ইয়াৰ অৱদান একেবাৰে কম।

প্ৰয়োজনীয় সম্পদৰ অভাৱৰ বাবেই আণৱিক শক্তি আয়োগে লক্ষ্য পূৰণৰ ক্ষেত্ৰত ব্যৰ্থ হোৱা নাই। ক'বলৈ গ'লে, সকলোবোৰ চৰকাৰেই পাৰমাণৱিক শক্তিৰ পৃষ্ঠপোষকতা কৰি আহিছে আৰু আণৱিক শক্তি আয়োগৰ বাজেটখনো সদায়ে বিপুল পৰিমাণৰ। ১৯৯৮ চনৰ পাৰমাণৱিক পৰীক্ষাৰ পিছৰে পৰা এই ধাৰা প্ৰচলন হৈ পৰিছে। ১৯৯৭-৯৮ চনৰ ১৮৪০ কোটি টকাৰ পৰা ২০০৭-০৮ চনত আণৱিক শক্তি আয়োগৰ বাজেটখন বৃদ্ধি পায় ৬১৩০ কোটি টকালৈ। ইয়াৰ তুলনাত পুনৰ নৱীকৰণ শক্তি মন্ত্ৰালয়ৰ ২০০৭-০৮ চনৰ বাজেটখন আছিল প্ৰায় ৬৩৩ কোটি টকাৰ। উল্লেখযোগ্য যে সমুদায় বিদ্যুৎ উৎপাদনৰ ১০.৪ গিগাৱাট বিদ্যুৎ পুনৰ নৱীকৰণযোগ্য শক্তিৰেই উৎপাদন কৰা হয়।

এই ক্ষেত্ৰত সততে দৃষ্টিগোচৰ নোহোৱা এটা ব্যৰ্থতাও আছে, সেইটো হৈছে কম খৰচত আয়োগে বিদ্যুৎ উৎপাদন কৰিব পৰা নাই। ইণ্টাৰনেশ্যনেল এনাৰ্জী ইনিচিয়েটিভৰ দুজন গৱেষক আৰু মই কৰ্ণাটকৰ ২২০ মেগাৱাট শক্তিসম্পন্ন কাইগা হেভী ৱাটাৰ ৰিয়েক্টৰটো আৰু কয়লা ব্যৱহাৰ কৰা ৰাইচুৰ তাপবিদ্যুৎ কেন্দ্ৰটোৰে উৎপাদন কৰা বিদ্যুতৰ উৎপাদন ব্যয় তুলনা কৰি চাইছিলোঁ। এই অধ্যয়নত আমি দেখিলোঁ যে বিনিয়োগৰ বিপৰীতে চৰকাৰে নিৰ্ধাৰণ কৰা লাভৰ হাৰতকৈ পাৰমাণৱিক ৰিয়েক্টৰটোৰ উৎপাদন ব্যয় ৮% অধিক। তদুপৰি বজাৰ দৰৰ তুলনাত ই হ'ব ৫০% অধিক।

ইয়াৰ কাৰণ হ'ল, একে ক্ষমতাসম্পন্ন কয়লা-নিৰ্ভৰ শক্তি উৎপাদন কেন্দ্ৰ এটাতকৈ পাৰমাণৱিক শক্তি কেন্দ্ৰ এটাৰ নিৰ্মাণ-ব্যয় অধিক। আমদানি কৰা ৰিয়েক্টৰ একোটাৰ ব্যয় আৰু অধিক। আণৱিক শক্তি আয়োগৰ ৰিয়েক্টৰবোৰত গৰম ইন্ধন শীতল কৰিবলৈ আৰু নিউট্ৰনবোৰৰ দ্বিভংগন ধীৰ কৰিবলৈ হেভী ৱাটাৰ ব্যৱহাৰ কৰা হয়। হেভী ৱাটাৰৰ উৎপাদন ব্যয় অত্যধিক। এনে এক টন পানীৰ উৎপাদনত দুই কোটিতকৈয়ো অধিক টকা ব্যয় হয়। প্ৰতিটো ৰিয়েক্টৰকে কেইবাশ টন এনে পানীৰ প্ৰয়োজন হয়। ইন্ধনৰ খৰচ পাৰমাণৱিক শক্তি কেন্দ্ৰত কম যদিও এনেধৰণৰ মূলধনী ব্যয়ৰ বাবেই তাপ বিদ্যুৎ কেন্দ্ৰতকৈ পাৰমাণৱিক শক্তি কেন্দ্ৰই উৎপাদন কৰা বিদ্যুতৰ দৰ বেছি হৈ পৰে। এই কথা অন্যান্য দেশৰ ক্ষেত্ৰতো খাটে।

আন এটা দিশৰ পৰাও তাপ বিদ্যুতকৈ পাৰমাণৱিক শক্তি অধিক খৰচী,— সেইটো হৈছে ৰিয়েক্টৰবোৰত ব্যৱহৃত বিকিৰক ইন্ধনবোৰৰ সুকলমে ধ্বংস কৰাত হোৱা ব্যয়। এই পদাৰ্থবোৰৰ পৰা অত্যধিক পৰিমাণে বিকিৰণ ঘটে। বিভিন্ন দেশে এই সমস্যাটো দুই প্ৰকাৰে মোকাবিলা কৰিবলৈ যত্ন কৰিছে। ফ্ৰান্স, জাপান আৰু ভাৰতে এই ইন্ধনবোৰ সংশোধন কৰি পুনৰ ব্যৱহাৰ কৰে। আনহাতে মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু কানাডাই ইবিলাক পোনেই ধ্বংস কৰি পেলায়।



এই পদাৰ্থবোৰ ধ্বংস কৰিবলৈ হ'লে ভূগৰ্ভত বহুদিনলৈ নিৰাপদে পুতি ৰখাৰ দৰকাৰ হয়। ইয়াৰ বিপৰীতে এই পদাৰ্থবোৰ পুনৰ ব্যৱহাৰ কৰিবলৈ হ'লে ৰাসায়নিক পদ্ধতিৰে ইবিলাকত থকা প্লুটনিয়াম আৰু ইউৰেনিয়াম পৃথক কৰিব লগা হয়। দুয়োটা প্ৰক্ৰিয়াতে এই পদাৰ্থবোৰ বৰ্তমান সাৱধানেৰে নিৰ্দিষ্ট স্থানত পুতি ৰখা হয়। সকলোবোৰ দেশেই ভূগৰ্ভত এই পদাৰ্থবোৰ পুতি ৰাখি ধ্বংস কৰাৰ কথা কৈ আহিছে যদিও তেনে কোনো আধাৰ এতিয়াও নিৰ্মাণ হোৱা নাই। ৯ বিলিয়ন ডলাৰ ব্যয়ৰে তেনে এটা আধাৰ নিৰ্মাণ কৰিবলৈ যুক্তৰাষ্ট্ৰই ১৯৮৭ চনৰে পৰা প্ৰচেষ্টা চলাই আহিছে। কিন্তু আধাৰটো কেতিয়াকৈ মুকলি কৰা হ'ব সেই বিষয়ে চৰকাৰীভাৱে কোনো ঘোষণা কৰা হোৱা নাই।

উল্লিখিত পদ্ধতি দুটাৰ ভিতৰত কোনটো কম খৰচী সেই বিষয়ে দীৰ্ঘদিন ধৰি বিতৰ্ক চলি আছে। পশ্চিমীয়া দেশবিলাকৰ পৰা পোৱা তথ্যৰ আধাৰত দেখা গৈছে যে মূলধনী ব্যয়ৰ ফালৰ পৰা পদাৰ্থবোৰ পোনে পোনে ধ্বংস কৰাতকৈ পুনৰ ব্যৱহাৰৰ বাবে সংশোধন কৰাৰ ব্যয় যথেষ্ট অধিক। আমাৰ দেশৰ শেহতীয়াটো সংশোধন প্ৰকল্প কলপক্কম ৰিপ্ৰচেছিং প্লাণ্টত হোৱা চৰকাৰী ব্যয়ৰ আধাৰত এজন সহকৰ্মীৰ সৈতে মই হিচাপ কৰি দেখিলোঁ যে এক টন ইন্ধন এনেদৰে সংশোধন কৰা ব্যয় হয় ২.৬—৩ কোটি টকা। বৰ্তমান কৰদাতাসকলেই এই ব্যয় বহন কৰি থাকিবলগীয়া হৈছে।

হেভী ৱাটাৰ বা ন-কৈ খনন কৰা ইউৰেনিয়াম ব্যৱহাৰ কৰা ৰিয়েক্টৰ একোটাই উৎপাদন কৰা বিদ্যুতৰ দৰতকৈ উল্লিখিত ধৰণে সংশোধন কৰা ইন্ধন ব্যৱহাৰ কৰা ৰিয়েক্টৰ একোটাৰ বিদ্যুতৰ দৰ কম হ'লেহে এই প্ৰক্ৰিয়াটো অৰ্থনৈতিক দিশৰ পৰা আকৰ্ষণীয় বিকল্প হ'ব পাৰিব। কিন্তু কথাটো তেনে নহয়। ইউৰেনিয়াম ২৩৫-তকৈ প্লুটনিয়ামৰ বিকিৰণ যিহেতু ৩০ হেজাৰ গুণ অধিক, সেয়ে ইন্ধন প্ৰস্তুত কৰাৰ সময়ত যথেষ্ট সাৱধানতা ল'ব লগীয়া হয়। কিন্তু প্লুটনিয়াম আৰু ইউৰেনিয়াম দুয়োটা থকা মিক্সড অক্সাইড (এম অ' এক্স) প্ৰস্তুত কৰা ব্যয় ইউৰেনিয়াম ইন্ধন প্ৰস্তুত কৰাৰ ব্যয়তকৈ কেইবাগুণো অধিক। সেয়ে প্লুটনিয়াম বিনা খৰচতে পাব পৰা যাব বুলি ধৰি লোৱা হ'লেও প্লুটনিয়াম ব্যৱহাৰ কৰা ৰিয়েক্টৰবোৰ কম খৰচী নহয়। তদুপৰি ইউৰেনিয়ামৰ ব্যয় নাটকীয়ভাৱে বৃদ্ধি নাপালে ইবিলাকৰ ব্যয় হ্ৰাস পোৱাৰ আশাও অতি ক্ষীণ।

প্লুটনিয়াম ব্যৱহাৰ কৰা এবিধ ৰিয়েক্টৰ হৈছে ফাষ্ট ব্ৰিডাৰ ৰিয়েক্টৰবিলাক। এই ৰিয়েক্টৰবিলাকত ব্যৱহাৰ কৰা প্লুটনিয়ামতকৈ অধিক পৰিমাণৰ প্লুটনিয়াম উৎপাদন হয় বাবে ইবিলাকক পাৰমাণৱিক শক্তিৰ ভৱিষ্যৎ হিচাপে গণ্য কৰা হয়। কিন্তু ভাৰত আৰু বিশ্বৰ আন আন দেশত এই প্ৰচেষ্টা বিফল হৈছে। কেইবা দশক ধৰি চলোৱাৰ চেষ্টাৰ অন্তত পৰীক্ষামূলকভাৱেহে এনে এটা ৰিয়েক্টৰ নিৰ্মাণ কৰাত ভাৰত সফল হৈছে। আৰম্ভণিৰে পৰা এই ৰিয়েক্টৰটোত বিভিন্ন সমস্যাই দেখা দি আহিছে আৰু দুৰ্ঘটনাও ঘটিছে।

আণৱিক শক্তি আয়োগে কলপক্কমৰ ওচৰত বাণিজ্যিকভাৱে প্ৰথমটো ফাষ্ট ব্ৰিডাৰ ৰিয়েক্টৰ বৰ্তমান নিৰ্মাণ কৰি আছে। বন্ধু এজনৰ সৈতে ইয়াৰ অৰ্থনৈতিক দিশটো মই অধ্যয়ন কৰি আছোঁ। প্ৰাথমিক পৰ্যায়ৰ অনুসন্ধানত দেখিছোঁ যে আন দেশত হোৱাৰ দৰেই এই ৰিয়েক্টৰত উৎপাদিত বিদ্যুতৰ ব্যয়ো কাইগাৰ ৰিয়েক্টৰটোতকৈ অধিক হ'ব। অথচ কাইগাৰ ৰিয়েক্টৰটোৰ উৎপাদন ব্যয়ো কম নহয়। বিদ্যুৎ শক্তি উৎপাদনৰ ক্ষেত্ৰত বৰ্তমান অৰ্থনৈতিক দিশটোত দিয়া গুৰুত্বলৈ চাই ভাৰতত পাৰমাণৱিক শক্তিৰ উৎপাদনত ফাষ্ট ব্ৰিডাৰ ৰিয়েক্টৰে বিশেষ প্ৰভাৱ পেলোৱাৰ আশা কম বুলিবই লাগিব।

আণৱিক শক্তি আয়োগে ৰাজহুৱাভাৱে দাবী কৰি আহিলেও পাৰমাণৱিক শক্তি উৎপাদনৰ ক্ষেত্ৰত ভাৰত বিশেষ সফল হোৱা নাই। বিশ্বৰ বিভিন্ন দেশত বিফল হোৱা ফাষ্ট ব্ৰিডাৰ ৰিয়েক্টৰ আৰু অপৰিমিত থ'ৰিয়াম-নিৰ্ভৰ ৰিয়েক্টৰৰ ওপৰত আণৱিক শক্তি আয়োগে দিয়া গুৰুত্বয়ো দেশত পাৰমাণৱিক শক্তিৰ উৎপাদন বৃদ্ধি কৰিব পৰা নাই। আনহাতে অত্যধিক ব্যয়ৰ বাবে আমদানি কৰা ৰিয়েক্টৰেও এই ক্ষেত্ৰত সহায় কৰাৰ সম্ভাৱনা কম। এইখিনিতে এনৰন-কাণ্ডৰ কথা মনত পেলাব পাৰি। আণৱিক শক্তি আয়োগৰ দাবী সত্ত্বেও পাৰমাণৱিক শক্তিয়ে বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত এটা ক্ষুদ্ৰ অংশহে অধিকাৰ কৰি থাকিব আৰু এই শক্তি হ'ব খৰচী। এই ক্ষেত্ৰত বিনিয়োগ কৰাটো আমি বন্ধ কৰাই ভাল। তাৰ পৰিৱৰ্তে পৰিৱেশৰ কম ক্ষতিসাধন কৰা পদ্ধতিৰে বিদ্যুৎ উৎপাদনৰ পদ্ধতি উদ্ভাৱন কৰা আৰু বিদ্যুতৰ উৎপাদন, বিতৰণ, ব্যৱহাৰ আদিৰ ক্ষেত্ৰত দক্ষতা বৃদ্ধি কৰাৰ বাবে বিনিয়োগ কৰাহে উচিত হ'ব।

*(ৰামানা বাংগালোৰৰ চেণ্টাৰ ফৰ ইণ্টাৰডিচিপ্লিনেৰী ষ্টাডিজ ইন এনভাইৰণমেণ্ট এণ্ড ডেভেলপমেণ্টৰ জ্যেষ্ঠ অধিসদস্য। **Prisoners of Nuclear Dream** গ্ৰন্থৰ যুটীয়া সম্পাদক।)*

# বাওঁপন্থী সুবিধাবাদ আৰু নন্দীগ্ৰাম-বিতৰ্ক

## প্ৰদীপ গগৈ

*(যোৱা সংখ্যাৰ পিছৰপৰা)*

কথাটো সঁচা হ'বও পাৰে। কিন্তু তেওঁ যে হৃদয়ৱান নহয় নন্দীগ্ৰামত যোৱা ১৪ মাৰ্চত সংঘটিত গণহত্যাই তাৰ প্ৰমাণ। কৃষকৰ দুখ-যাতনাক লৈ কপট চকুলো টোকা তথাকথিত কমিউনিষ্ট তথা বাওঁপন্থীসকলে বিধান সভাত চাৰিভাগৰ তিনি অংশ আসন দখল কৰা দম্ভালিত পাহৰি যায় মূলতঃ কৃষকসকলৰ সমৰ্থনৰ জোৰতহে পশ্চিম বংগত ত্ৰিশ বছৰে ক্ষমতাৰ গাদীত থকা সম্ভৱপৰ হৈছে। এতিয়া কৃষকৰ সমস্যা আৰু কৃষি বিকাশৰ লগত জড়িত মানৱীয় দৃষ্টিকোণ পৰিহাৰ কৰি শিল্পায়নৰ নামত এওঁলোকে নিজৰ দলৰে কৰ্মী-সদস্য, সমৰ্থকক চৰম নিৰ্যাতনৰ মুখলৈ ঠেলি দিয়াৰ পিছত 'যত দোষ নন্দ ঘোষ' বুলি তৃণমূল কংগ্ৰেছ, বিজেপি, জমিয়ত, এছ ইউ চি আই, নক্সাল আদি বিৰোধী পক্ষক পেৰি পেৰি দোষাৰোপ কৰি থকাৰ যুক্তিয়েইবা ক'ত? তৰ্কৰ খাতিৰত ধৰি লোৱা হ'ল বহুতো বাধ্যবাধকতা আৰু সীমাবদ্ধতাৰ মাজত থাকিয়ে বাওঁ মৰ্চাই পশ্চিম বংগত কৃষি আৰু শিল্পকে ধৰি সকলো ক্ষেত্ৰতে উন্নয়ন সাধি ভাৰতবৰ্ষৰ ভিতৰতে উচ্চস্থান দখল কৰিবলৈ সক্ষম হ'ল— সেই বুলিয়েই বাওঁ মৰ্চা চৰকাৰে কৰা কৃষক হত্যাক সমৰ্থন কৰিব লাগিব নেকি? তৰুণ গগৈয়েও কিবাকিবি উন্নয়ন নিশ্চয় কৰিছে, সেই বুলিয়ে আইন-শৃংখলাৰ দোহাই দি তেওঁৰ চৰকাৰে নিৰীহ লোকৰ ওপৰত কৰা অত্যাচাৰ আৰু মুক্তহত্যা সমৰ্থন কৰিব লাগিব নেকি? এইবোৰ কথা বুজিবলৈ মাৰ্ক্স-লেনিনৰ তত্ত্বৰ গভীৰতালৈ নগ'লেও চলে, সাধাৰণ বুদ্ধি-বৃত্তি থাকিলেই বুজিব পাৰি। নন্দীগ্ৰাম-বিতৰ্কত অংশগ্ৰহণ কৰি চি পি এমৰ সমৰ্থনত কলম চলোৱা নিবন্ধকাৰ দুলাল পূজাৰীয়ে আমাৰ বিৰুদ্ধে ২৫ আগষ্টত দৈনিক জনমভূমিত (আমাৰ গ্ৰাম নন্দীগ্ৰাম) দুটামান গুৰুতৰ অভিযোগ তুলিছে। তাৰে এটা হ'ল আমি হেনো নন্দীগ্ৰামৰ পৰা বিতাড়িত আৰু আশ্ৰয় শিবিৰত কাল কটোৱা হাজাৰ হাজাৰ লোকৰ দুখ-যাতনাক লৈ উপহাস কৰিছোঁঙ্গ অকাট্য প্ৰমাণ (ঙ্গ) হিচাপে তেখেতে দৈনিক জনমভূমিত আমাৰ পূৰ্ব প্ৰকাশিত নিবন্ধ 'নন্দীগ্ৰাম প্ৰসংগ ঃ সংকট আৰু সংকেত'ৰ (১৪ জুলাই, ২০০৭) পৰা এটা বাক্যৰ এক অংশ হুবহু তুলি দিছে— 'নন্দীগ্ৰামত 'ছেজ' প্ৰতিষ্ঠা কৰিব নোৱাৰিলে চি পি এমৰ বাবে সহানুভূতিৰ ঢৌ সৃষ্টি কৰিবৰ বাবেও হয়তো দলে তেওঁলোকক ঘৰ-বাৰী এৰিবলৈকে গোপন নিৰ্দেশ দি থৈছিল।' পূজাৰীৰ মতে, এনে নিকৃষ্ট অভিযোগ পশ্চিম বংগত মমতা বেনাৰ্জীয়েও বোলে তোলা নাই। তেতিয়াহ'লে পূজাৰীয়ে ছেজ আৰু নন্দীগ্ৰামৰ ঘটনাৱলীৰ সন্দৰ্ভত মমতাদিদিক যিমান বেয়া বুলি ভৱিছিল, সিমান বেয়া নহয় হ'বলা। পূজাৰীয়ে স্পষ্ট কৰি দিছে তিনি-চতুৰ্থাংশ আসন পাই বিজয়ী হোৱা দল এটাৰ বাবে সহানুভূতিৰ ঢৌৰ প্ৰয়োজন নাই। ভোটৰ কথা ওলাল যেতিয়া এইখিনিতে পূজাৰীক আমি সবিনয়ে জনাই থ'ব খোজোঁ যে দলীয় কৰ্মী-সমৰ্থকে চাৰিভাগৰ তিনি অংশ— এই হিচাপটোৰ বাবে যাতে এটা ডাঙৰ অংক পাহৰি নাযায়— প্ৰাক্তন মুখ্য মন্ত্ৰী জ্যোতি বসুৱে এনেদৰে সোঁৱৰাই থাকিবলগীয়া হৈছে — '৫০% মানুহে কিন্তু এতিয়াও বিৰোধী দলকে ভোটদান কৰেঙ্গ' এতিয়া আহো পূজাৰীৰ অভিযোগটোলৈ। পূজাৰীয়ে অভিসন্ধিমূলকভাৱে উদ্ধৃতাংশ বাক্যৰ 'তেওঁলোকক' মানে আশ্ৰয় শিবিৰত থকা যমৰ যাতনা ভোগাসকলকে আমি বুজাইছোঁ বুলি প্ৰমাণ কৰিব খুজিছে। অথচ আমি আমাৰ নাওমান নিবন্ধটোৰ ক'তোৰেই ঘুণাক্ষৰেও (প্ৰত্যক্ষ বা পৰোক্ষভাৱে হ'লেও) আশ্ৰয় শিবিৰত কাল কটোৱা নিৰ্যাতিতসকলৰ কথা উল্লেখেই কৰা নাই। 'তেওঁলোকক' মানে দুলাল পূজাৰীয়ে তেখেতৰ প্ৰথম লেখাটোত (আমাৰ গ্ৰাম তোমাৰ গ্ৰাম নন্দীগ্ৰাম, দৈঃ জঃ

**কৃষকৰ দুখ-যাতনাক লৈ কপট চকুলো টোকা তথাকথিত কমিউনিষ্ট তথা বাওঁপন্থীসকলে বিধান সভাত চাৰিভাগৰ তিনি অংশ আসন দখল কৰা দম্ভালিত পাহৰি যায় মূলতঃ কৃষকসকলৰ সমৰ্থনৰ জোৰতহে পশ্চিম বংগত ত্ৰিশ বছৰে ক্ষমতাৰ গাদীত থকা সম্ভৱপৰ হৈছে। এতিয়া কৃষকৰ সমস্যা আৰু কৃষি বিকাশৰ লগত জড়িত মানৱীয় দৃষ্টিকোণ পৰিহাৰ কৰি শিল্পায়নৰ নামত এওঁলোকে নিজৰ দলৰে কৰ্মী-সদস্য, সমৰ্থকক চৰম নিৰ্যাতনৰ মুখলৈ ঠেলি দিয়াৰ পিছত 'যত দোষ নন্দ ঘোষ' বুলি তৃণমূল কংগ্ৰেছ, বিজেপি, জমিয়ত, এছ ইউ চি আই, নক্সাল আদি বিৰোধী পক্ষক পেৰি পেৰি দোষাৰোপ কৰি থকাৰ যুক্তিয়েইবা ক'ত?**

২৯ জুন, ২০০৭) উল্লেখ কৰা চি পি এমৰ চাৰি হাজাৰ কৰ্মীৰ কথাই কৈছোঁ। আমাৰ বিৰুদ্ধে অভিযোগ তোলাৰ আগেয়ে সশস্ত্ৰ নক্সালপন্থীয়ে 'খেদা' এই চাৰি হাজাৰ দলীয় কৰ্মীয়েই আশ্ৰয় শিবিৰত থকা হাজাৰ হাজাৰ লোক নেকি, তেখেতে স্পষ্ট কৰি দিব লাগিছিল। দলে সহানুভূতিৰ ঢৌৰ সৃষ্টি কৰিব খুজিছিলেনে নাই আমি খাটাং নহয় বাবেই উদ্ধৃত বাক্যাংশত 'হয়তো' শব্দটোৰে জানো তাকেই বুজোৱা নাই? নিৰাপত্তা দিয়াৰ স্বাৰ্থত দলে সংঘৰ্ষ জৰ্জৰিত অঞ্চলৰ পৰা দলীয় কৰ্মীক ঘৰ-বাৰী এৰিবলৈ গোপনে নিৰ্দেশ দিব পাৰে— ইয়াত আচৰিত হ'বলৈ একো নাই। পূজাৰীয়ে দিয়া তথ্য মতেতো নন্দীগ্ৰামৰ ঘটনাত চি পি এমৰ কৰ্মী-সমৰ্থক মিলি আঠ হাজাৰতকৈ অধিক নিৰ্যাতনৰ বলি হৈছে। তথ্যটো অতিৰঞ্জিত। এনে অতিৰঞ্জিত তথ্যৰ আলম লৈ বংগত নহ'লেও অসমত চি পি এমৰ প্ৰতি সহানুভূতিৰ ঢৌ সৃষ্টি কৰিব খুজিছে পূজাৰীয়েইঙ্গ সাগৰৰ ঢৌ নহ'ব পাৰে, সৰু-সুৰা জান-জুৰিৰ ঢৌঙ্গ বাহিৰত দেখা নহ'ব পাৰে, মনৰ ভিতৰত; অন্ততঃ দলৰ সমৰ্থক-শুভাকাংক্ষীৰ মাজতঙ্গ সহানুভূতি আদায় কৰিবৰ বাবে পূজাৰীয়ে খেলা খেলটো লুকুৱাব নোৱৰাকৈ ধৰা পৰি গ'ল। প্ৰথম লেখাটোত (আমাৰ গ্ৰাম তোমাৰ গ্ৰাম নন্দীগ্ৰাম, দৈনিক জনমভূমি, ২৯ জুন, ২০০৭) তেখেতে লিখিছিল— 'ভূমি উচ্ছেদ কমিটীৰ সশস্ত্ৰ বাহিনীয়ে নন্দীগ্ৰামৰ কেইবাজনো চি পি এমৰ কৰ্মীক হত্যা কৰে আৰু চাৰি হাজাৰতকৈ অধিক চি পি আই (এম) দলৰ সমৰ্থকক লুটপাত কৰি ঘৰ-বাৰী জ্বলাই দিয়া হ'ল।' দৈনিক জনমভূমিৰ একে সংখ্যাতে তেখেতৰ লেখাত কোৱা হ'ল চাৰি হাজাৰৰো অধিক মাৰ্ক্সবাদী দলৰ কৰ্মীক গাঁৱৰ পৰা খেদি পঠোৱা হ'ল। অৰ্থাৎ কৰ্মী, সমৰ্থক মিলি আঠ হাজাৰৰো অধিক। কিন্তু চি পি এমৰ মুখপত্ৰ 'সাপ্তাহিক গণশক্তি'ৰ নিয়মীয়া লেখক পূজাৰীয়ে হয়তো ৬ এপ্ৰিল, ২০০৭ একত্ৰিশ বছৰ ৩২তম সংখ্যা (শুকুৰবাৰ) গণশক্তিখন নপঢ়িলে যেন পাওঁ। পলিটব্যুৰোৰ প্ৰকাশ কাৰাটে লিখা 'নন্দীগ্ৰাম ঃ সত্য লুকাই নাথাকে' শীৰ্ষক প্ৰবন্ধটোত কোৱা হৈছে নন্দীগ্ৰামৰ পৰা সকলো চি পি আই (এম) নেতা, কৰ্মী আৰু সমৰ্থকক বিতাড়িত কৰা হৈছিল— ইয়াৰ সংখ্যা আঢ়ৈ হাজাৰ। সত্য লুকুৱাই ৰখা আৰু সত্য উলিয়াই দিয়া ঘটনাটোৱে প্ৰমাণ কৰে কাৰ কি মতলব। সম্ভৱতঃ ওজাতকৈ যে পালি কেতিয়াবা চৰা হয়, কমৰেড প্ৰকাশ কাৰাটেই বুজাই দিলে। তথ্য বিকৃত কৰিব নালাগে— এনে নৈতিক বাণী শুনোৱা পূজাৰীৰ মতলব বেয়াকৈ ওলাই পৰিল। সহানুভূতিৰ ঢৌৰ তাৎপৰ্য এনেকুৱাইঙ্গ মাৰ্ক্সৰ কেপিটেল বৰ বেছিকৈ পঢ়া বাবেই নেকি পূজাৰীয়ে আমাৰ পূৰ্ব প্ৰকাশিত নিবন্ধটোত মাৰ্ক্সে কোৱা বুলি বাক্য এটাকে আৱিষ্কাৰ (ঙ্গ ) কৰিছে। আমি লিখিছিলোঁ,— 'সমগ্ৰ ইউৰোপকে ধৰি আমেৰিকা যুক্তৰাষ্ট্ৰত শিল্পায়ন সম্পূৰ্ণ হ'লেও তাতেই নিবনুৱা সমস্যা সমাধান কৰিব পৰা নাই।' আমাৰ এই বাক্যটো পূজাৰীয়ে হুবহু তুলি দিয়াৰ পিছতে 'আৱিষ্কাৰ' কৰা বাক্যটো সংযোগ কৰি দিছে এনেদৰে— 'তাতে মাৰ্ক্সে কোৱাৰ দৰে শ্ৰমিক শোষণৰ কথা আছেই।' চি পি আই (এম)ৰ সমৰ্থক হ'বলৈ গ'লে আনৰ লেখাৰ উদ্দেশ্যপ্ৰণোদিত বিকৃতি আৰু নিলিখা কথা এটাও লিখা বুলি প্ৰমাণ কৰিব পৰা গুণ এটাও যে থাকিব লাগে, সেই কথা আগেয়ে জনা নাছিলোঁ। সেই ফালৰ পৰা চি পি এমৰ সাধাৰণ সমৰ্থক এজন হোৱাৰ যোগ্যতা আমাৰ কোনোদিনেই নহ'ব। এই বিষয়ে আমি নিঃসন্দেহ।

*(আৰু আছে)*

# সম্পাদকলৈ চিঠি

*(মতামতৰ বাবে সম্পাদক দায়ী নহয়)*

### পেঞ্চন নীতিৰ সংশোধন

'দৈনিক জনমভূমি'ত ১৭/০১/০৭ তাৰিখে প্ৰকাশ হোৱা চৰকাৰী পেঞ্চনাৰ সন্থাই প্ৰকাশ কৰা চিঠিৰ মৰ্মে ১৯৭৮ চনত ভাৰত চৰকাৰে পেঞ্চন আইন সংশোধন কৰি পেঞ্চন গাঁথনিৰ পৰিৱৰ্তন ঘটালে। সেইমতে ১৯৭৯ চনৰ ৩১ মাৰ্চৰ পিছত অৱসৰ গ্ৰহণ কৰা পেঞ্চনাৰসকলৰ কাৰণে বহুত সা-সুবিধা দি পেঞ্চন ভাট্টাৰ বহুত পৰিৱৰ্তন ঘটালে যদিও ৩১/০৩/৭৯ তাৰিখৰ আগতে অৱসৰ গ্ৰহণ কৰা পেঞ্চনাৰসকলক এনে সুবিধাৰ পৰা বঞ্চিত কৰি ৰাখিলে, তেতিয়া ভাৰত পেঞ্চনাৰ সমাজৰ সহায়ত নাকাৰা (DF Nakara) প্ৰমুখ্যে ছুপ্ৰিম ক'ৰ্টত ১৭/১২/৮২ তাৰিখে গোচৰ তৰে। ভাৰতৰ উচ্চতম ন্যায়ালয়ত ৰাষ্ট্ৰ বনাম নাকাৰা মোকৰ্দমাত এইটো প্ৰতিপন্ন কৰা হৈছে যে, পেঞ্চন বা অৱসৰ ভাট্টা চৰকাৰৰ দয়া বা অনুকম্পা নহয় বৰং এইটো অৱসৰ লোৱা চৰকাৰী কৰ্মচাৰীসকলৰ মূলগত অধিকাৰ। ছুপ্ৰিম ক'ৰ্টৰ ঐতিহাসিক ৰায়লৈ সঁহাৰি জনাই অসম চৰকাৰেও ১৯৮৯ আৰু ১৯৯৬ চনত গঠিত হোৱা দৰমহা আয়োগৰ যোগে অৱসৰপ্ৰাপ্ত চাকৰিয়ালসকলক Liberalised Rateত পেঞ্চন দিবলৈ অসম চৰকাৰ বাধ্য হয়। বৰ্তমান দৰমহা আয়োগত পেঞ্চনাৰসকলৰ পৰাও একোজন প্ৰতিনিধি থকাৰ ব্যৱস্থা কৰা হয়।

২১ জুন, ২০০৬ তাৰিখত চৰকাৰী পেঞ্চনাৰ সন্থা, অসমৰ সাধাৰণ সম্পাদক শৰৎ চৌধুৰীয়ে জনাইছে যে এক দীৰ্ঘদিনীয়া সমস্যা সমাধান কৰি তাক ৰূপায়ণৰ বাবে যোৱা ০১/০৬/০৬ তাৰিখে চৰকাৰে আদেশ জাৰি কৰিছে যে (চৰকাৰী আদেশ চিঠি নং PPG(P) 129/2004(A) 189 তাং দিছপুৰ ১ জুন ২০০৬ অনুযায়ী) ০১-০১-১৯৮৯ তাৰিখৰ আগৰ পেঞ্চনাৰ, পৰিয়াল পেঞ্চনাৰ আৰু মৃতসকলৰ পেঞ্চন আনুমানিক পদ্ধতিৰে ধাৰ্য কৰাৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত ০১-০১-১৯৮৯ তাৰিখৰ আগত অৱসৰ পোৱা চাকৰিয়াল, মৃত চাকৰিয়ালসকল, পৰিয়াল পেঞ্চনাৰসকল লাভৱান হ'ব। সংশ্লিষ্ট পেঞ্চনাৰসকলে উক্ত চৰকাৰী আদেশৰ লগতে প্ৰ-পত্ৰ প্ৰেৰণ কৰি গাইপতি দুখনকৈ ০২-০৬-২০০৬ তাৰিখৰ পৰা ১৮০ দিনৰ ভিতৰত পূৰ্বতে যি বিভাগৰ পৰা দৰমহা অথবা পেঞ্চন মঞ্জুৰ হৈছিল সেই বিভাগৰ বিভাগীয় মুৰব্বীজনৰ কাৰ্যালয়ত আৰু তেনে ৰাজপত্ৰিত বিষয়াসকলৰ জৰিয়তে একাউণ্টেণ্ট কাৰ্যালয়ত জমা দিব লাগে। সেইমতে আমি গোলাঘাট মহকুমাৰ শিক্ষা বিভাগৰ DI অফিচৰ যোগেদি ১৩/১০/২০০৬ তাৰিখে জমা দিওঁ। কিন্তু আজি পৰ্যন্ত কোনো কাৰ্যকৰী ব্যৱস্থা নকৰাৰ কাৰণে বাতৰি কাকতৰ জৰিয়তে সংশ্লিষ্ট কৰ্তৃপক্ষক বিহিত ব্যৱস্থা ল'বৰ কাৰণে অনুৰোধ জনোৱা হ'ল।

**ৰাজেন্দ্ৰ নাথ শৰ্মা তামুলী**
অৱসৰপ্ৰাপ্ত শিক্ষক, ৰজাবাৰী,
**মহেন্দ্ৰ নাথ বৰুৱা**
অৱসৰপ্ৰাপ্ত শিক্ষক, বোকাখাত।

### শিক্ষকৰ সংযম

শিক্ষকসকল সমাজ আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ আদৰ্শ ব্যক্তি। শিক্ষকসকলে তেওঁলোকৰ জীৱনৰ সমস্ত সময় ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক উন্নতিৰ বাবেই ব্যয় কৰে আৰু ছাত্ৰৰ উন্নতিতেই তেওঁলোকৰ জীৱন সাৰ্থক হয়। এনে আদৰ্শৰে চালিত মহৎ শিক্ষাগুৰুসকলৰ গৌৰৱ কিছু সংখ্যক ধৈৰ্যহীন আৰু শিষ্টাচাৰ জ্ঞানশূন্য শিক্ষকে ম্লান কৰে। এনেচাম শিক্ষকৰ অদূৰদৰ্শিতাৰ কাৰণেই সৎ শিক্ষকসকলে শ্ৰেণীত পাঠদান কৰাৰ অনুকূল পৰিৱেশ নাপায় আৰু সমগ্ৰ শিক্ষানুষ্ঠানৰে পৰিৱেশ বিশৃংখল হয়।

যদি সামান্য কথাতে উচ্চ-বাচ্য কৰি শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সন্মুখতে হতাহতি লাগিলে ছাত্ৰ-ছাত্ৰীসকল বিমোৰত পৰে আৰু ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকৰ প্ৰতি অন্তৰত পুহি ৰখা শ্ৰদ্ধা ভাবৰো অন্ত পৰে। তেনেস্থলত উলুৰ লগত বগৰী পোৱাদি সৎ শিক্ষকসকলৰো ভাবমূৰ্তি ছাত্ৰ-ছাত্ৰীৰ লগতে জনমানসতো হেয় হয়। সেয়েহে শিক্ষকসকলে নিজকে সংযমী কৰি বিদ্যালয়ৰ পৰিৱেশ সুন্দৰ কৰি তুলিবলৈ চেষ্টা কৰিব লাগে। কাৰণ কুমলীয়া বয়সৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকক আদৰ্শ হিচাপে গ্ৰহণ কৰে। যদি শিক্ষকসকলৰ আচৰণেই এনে হয় তেনেহ'লে ছাত্ৰ সমাজে কাক আদৰ্শৰূপে গ্ৰহণ কৰিব?

**ভাস্কৰ চুতীয়া**
নকছাৰী মহাবিদ্যালয়,
নকছাৰী।

### সতীৰ্থ গ্ৰন্থমেলা

ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত যোৱা ৪ অক্টোবৰ তাৰিখৰ পৰা ৭ অক্টোবৰ তাৰিখলৈকে চৌকিডিঙ্গিস্থিত চহৰীয়া ভৱনত সতীৰ্থ গ্ৰন্থমেলা সুন্দৰভাৱে অনুষ্ঠিত হয়। বৰ্তমান সময়ৰ বাতাৱৰণত এই গ্ৰন্থমেলাৰ আয়োজনে আমাৰ লগতে হয়তো আন বহুজনকে এই বাতাৱৰণৰ পৰা অলপ হ'লেও সকাহ দিলে। সামাজিক, ৰাজনৈতিক ভ্ৰষ্টাচাৰৰ গোন্ধ নথকা এই অনুষ্ঠানে বৌদ্ধিক তথা মানসিক দিশত আগবাঢ়ি যোৱাত বহু পৰিমাণে সহায়ক হোৱা হেতু এনে আয়োজনৰ প্ৰতি আমাৰ অকুণ্ঠ সমৰ্থন আছে। বৰ্তমান সময়ত এনে ধৰণৰ আয়োজনৰ প্ৰাসংগিকতা আছে। এনে এক সুন্দৰ পদক্ষেপ গ্ৰহণ কৰাৰ কাৰণে ডিব্ৰুগড় প্ৰেছ ক্লাব আৰু সতীৰ্থ গ্ৰন্থমেলাৰ বিষয়ববীয়ালৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ আৰু লগতে এনে ধৰণৰ অনুষ্ঠান পুনৰ অনুষ্ঠিত কৰিবৰ কাৰণে এজন ছাত্ৰ হিচাপে পুনৰ অনুৰোধ জনালোঁ।

**জয়ন্ত মাধৱ শইকীয়া**
অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়।